
# ভাইৰাছৰ কথা জানো আহা




মানস প্ৰতিম দত্ত

ব্যাখাচিত্ৰ: ইন্টাৰনেট



# ভাইৰাছৰ কথা জানো আহা

**মানস প্ৰতিম দত্ত**



# ভাইৰাছৰ কথা জানো আহা

মানস প্ৰতিম দত্ত

ভিতৰৰ ছবি: ইণ্টাৰনেট

মূল্য: অমূল্য



# জোনাক, মুনমী আৰু মাখনৰ হাতত

মৰমৰ মইনাহঁত, ভালে আছানে ?

তোমালোকৰ লগৰ বন্ধু-বান্ধৱীসকলৰ ভালনে? এতিয়া তোমালোক সকলোৱে বিদ্যালয় বন্ধ নহয়নে?



তোমালোকে বাৰু পঢ়া-শুনা কৰিছানে? সাধু শুনিছানে?

তোমালোক মৰমলগা অক্কশমানি  অক্কণমাণি

মইনা, তোমালোকে   চাগে  ককা-আইতাৰ

কোলাত বহি   খুউব  সাধু শুনিছা নহয়নে?




মই সৰু হৈ থাকোতেও

খুউব সাধু শুনিছিলোঁ।




আজি পিছে তোমালোকক মই সাধু নকওঁ। তোমালোকে এইকেইদিনত খুউব শুনি থকা এটা শব্দৰ বিষয়েহে আজি আলোচনা কৰিম।

এইকেইদিনত তোমালোক যেতিয়াই-তেতিয়াই শুনি থকা এটা শব্দ হৈছে ভাইৰাছ। ভাইৰাছ বাৰু কোনোবা মানুহৰ নাম নেকি? তোমালোকে কি ভাবা?



মই যেতিয়া তোমালোকৰ নিচিনা অক্কণমাণি আছিলোঁ তেতিয়া ভাবিছিলোঁ ভাইৰাছ কোনোবা ককাৰ নাম। সেই ককাটোৱে খুউব ভয় লগা কথা কয়।



পাছলৈ মই যেতিয়া ডাঙৰ হ'লোঁ, তেতিয়াহে গ'ম পালোঁ ভাইৰাছ মানে মানুহ নহয়।




আমাৰ যেনেদৰে মাতৃভাষা অসমীয়া, আমাৰ দেশৰ ৰাষ্ট্ৰীয় ভাষা হিন্দী, ঠিক তেনেদৰে প্ৰত্যেক দেশৰে বিভিন্ন ভাষা আছে। তোমালোকে বাৰু কি কি ভাষাৰ নাম জানা?






shutterstock.com • 498812935

অ ! পাহৰিছিলোৱে আমি ভাইৰাছৰ কথা পাতি আছিলোঁ নহয়নে? এই যে ভাইৰাছ শব্দটো, এই শব্দটো লেটিন নামৰ এটা ভাষাৰ শব্দ। লেটিন ভাষাৰ এই শব্দটোৰ অৰ্থ হৈছে বিহ।




বিহ, ইয়াক! কি যে ভয় লগা ন?

বিহ বুলি ক'লেই মোৰ হ'লে ভয়ে লাগি যায় পায়।




এই যে ভাইৰাছৰ পৰা হোৱা বেমাৰৰ কথা শুনিছা , তাৰ যদি আমি অৰ্থ বিচাৰোঁ তাৰ অৰ্থটো কি হ’ব বাৰু?

বিহৰ পৰা হোৱা বেমাৰ নহয়নে?




আজিৰ পৰা ব..হ..হ..হ..উ..ত বছৰৰ আগতে ১৭৯৬ চনত জেনাৰ নামৰ বিজ্ঞানীজনে ভাইৰাছৰ পৰা হোৱা বেমাৰৰ কথা কৈছিল।



ইয়াৰ বহুবছৰৰ পাছত এনে বেমাৰবোৰৰ ভয়ানক ৰূপ দেখি বাইজিৰিংক নামৰ বিজ্ঞানীজনে ইয়াৰ নাম দিছিল ভাইৰাছ।



গছ-গছনি, চৰাই-চিৰিকতি ভালপোৱা মানুহবোৰে কয়- বনৰীয়া জীৱ জন্তুৰ দেহত হেনো এনে ভাইৰাছবোৰ থাকে। সেয়েহে এনে বনৰীয়া জীৱ-জন্তুবোৰ আমি খাব নালাগে।






এতিয়া বাৰু তোমালোকে ভাবি চাইছানে ভাইৰাছে বনৰীয়া জীৱ-জন্তুবোৰক ক্ষতি কিয় নকৰে বাৰু !


আচলতে বনৰীয়া জীৱ-জন্তুৰ দেহত ইয়াৰ পৰা নিজক ৰক্ষা কৰিব পৰা কিছুমান গুণ আছে, সেইবোৰক আমি প্ৰতিৰোধ গুণ বুলি কওঁ।



তোমালোকে এটা কথা জানি আচৰিত হ'বা যে জীৱ দেহলৈ ভাইৰাছ সোমোৱাৰ আগৰলৈকে ভাইৰাছবোৰ জড় বস্তুৰ দৰে থাকে।

তোমালোকে বাৰু জড় মানে কি জানানে? জড় মানে হ'ল যি একে ঠাইতে থাকে উশাহ নিশাহ নলয়। যেনে-চকী, কিতাপ, কলম এইবোৰ।






ভাইৰাছবোৰো বাহিৰত তেনেকুৱাই।

কিন্তু যেতিয়া ইহঁত মানুহৰ দেহত সোমাই তেতিয়া ইহঁতে এটাৰ পৰা আন এটা, তাৰ পৰা আকৌ আন এটা, এনেদৰে নিজকে ভাগ কৰিব পাৰে। অৰ্থাৎ জীৱন পায়।

সেয়েহে আমি মুখত মাস্ক পিন্ধি থাকিব লাগে
চাবোনেৰে হাত ধুব লাগে
য'তে-ত'তে থু-খেকাৰ পেলাব নালাগে ।





আজিলৈ ইমানতে এৰিছো দেই মইনাহঁত। তোমালোকে ভাইৰাছ বা বিহৰ বিষয়ে জানি কেনে পালা জনাব দেই।


adidas